# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 31-10-2025
**Time :** 0705 hrs

## *Assamese Morning Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসত আজি গুজৰাটৰ একতা নগৰৰ পৰা দেশক নেতৃত্ব দিব।

২। প্ৰধানমন্ত্ৰীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ৰোহিনীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰিব।

৩। দেশত বৰ্তমানলৈকে ১০ হাজাৰ কৃষক উৎপাদক সংস্থা স্থাপন কৰা হৈছে আৰু ইয়াৰে কিছু সংখ্যক FPOৰ ব্যৱসায় ১০০ কোটি টকালৈ বৃদ্ধি হৈছে বুলি কেন্দ্ৰীয় মন্ত্ৰী শিৱৰাজ সিং চৌহানে প্ৰকাশ কৰিছে।

৪। দেশৰ সকলো বিদ্যালয়তে তৃতীয় শ্ৰেণীৰ পৰা কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব।

*আৰু*

৫। আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা অনুষ্ঠিত এখন ৰোমাঞ্চকৰ ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চৰ্দাৰ বল্লভ ভাই পেটেলৰ ডেৰশ বছৰীয়া জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱসত আজি গুজৰাটৰ একতা নগৰৰ পৰা দেশক নেতৃত্ব দিব। শ্ৰীমোদীয়ে একতাৰ প্ৰতিমূৰ্তিত পুষ্পাঞ্জলি অৰ্পণেৰে দিনটোৰ কাৰ্যসূচীৰ শুভাৰম্ভ কৰিব। প্ৰতিবছৰে ৩১ অক্টোবৰত চৰ্দাৰ বল্লভ ভাই পেটেলৰ জয়ন্তী উপলক্ষে ৰাষ্ট্ৰীয় একতা দিৱস পালন কৰা হয়। এই দিনটো ৰাষ্ট্ৰীয় একতা, সংহতি আৰু সুৰক্ষাৰ প্ৰসাৰৰ বাবে উৎসৰ্গিত। এই দিৱসে লগতে জনসাধাৰণক নিজৰ দেশ আৰু সংস্কৃতিক লৈ গৌৰৱান্বিত হ'বলৈ উৎসাহিত কৰে। এই বছৰৰ ৰাষ্ট্ৰীয় একতা দিৱসত দেশৰ সুৰক্ষা বাহিনীসমূহৰ শক্তি, নিয়মানুৱৰ্তিতা আৰু বীৰত্বত আলোকপাত কৰি আকৰ্ষণীয় কুচকাৱাজ আৰু সাংস্কৃতিক অনুষ্ঠানৰ আয়োজন কৰা হৈছে। কেন্দ্ৰীয় সশস্ত্ৰ আৰক্ষী বাহিনী, সীমান্ত সুৰক্ষা বাহিনী, কেন্দ্ৰীয় ঔদ্যোগিক সুৰক্ষা বাহিনী, ভাৰত-তিববত সীমান্ত আৰক্ষী, সশস্ত্ৰ সীমা বল আৰু অসম, ত্ৰিপুৰা, ওড়িশা, ছত্তিশগড়, মধ্যপ্ৰদেশ, মহাৰাষ্ট্ৰ, পঞ্জাৱ, জম্মু-কাশ্মীৰ, কেৰেলা আৰু অন্ধ্ৰপ্ৰদেশৰ ৰাজ্যিক আৰক্ষী বাহিনীসমূহে কুচকাৱাজত অংশগ্ৰহণ কৰিব। অনৈক্যৰ মাজত ঐক্য বিষয়বস্তুৰে ৰাষ্ট্ৰীয় সুৰক্ষা গাৰ্ড আৰু ৰাষ্ট্ৰীয় দুৰ্যোগ সঁহাৰি বাহিনীৰ লগতে ১০ খন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলে চিত্ৰকলা প্ৰদৰ্শন কৰিব।

ৰাষ্ট্ৰীয় একতা দিৱস উপলক্ষে আয়োজন কৰা একতাৰ পদযাত্ৰা দুটা পৰ্যায়ত অনুষ্ঠিত হ'ব। প্ৰথম পৰ্যায়ত আজিৰে পৰা ২৫ নৱেম্বৰলৈ প্ৰতিটো সংসদীয় সমষ্টিৰ জিলাসমূহত এই পদযাত্ৰা অনুষ্ঠিত হ'ব। ইয়াৰ লগতে

জলাশয়সমূহৰ স্বচ্ছতা অভিযান, গছপুলি ৰোপন, মহিলাৰ কল্যাণকামী শিৱিৰ, যোগাসন আৰু স্বাস্থ্য শিৱিৰৰ দৰে উন্নয়নমূলক পদক্ষেপসমূহো ৰূপায়ণ কৰা হ'ব। ২৬ নৱেম্বৰৰ পৰা ৬ ডিচেম্বৰলৈ দ্বিতীয় পৰ্যায়ত এই একতাৰ পদযাত্ৰা অনুষ্ঠিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি সন্ধিয়া নতুন দিল্লীৰ ৰোহিনীত আয়োজিত আন্তঃৰাষ্ট্ৰীয় আৰ্য শীৰ্ষ সন্মিলন-২০২৫ত অংশগ্ৰহণ কৰিব। মহৰ্ষি দয়ানন্দ সৰস্বতীৰ ২০০ বছৰীয়া জয়ন্তী আৰু আৰ্য সমাজৰ সেৱাৰ ১৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে আয়োজন কৰা  জ্ঞানজ্যোতি মহোৎসৱৰ অংশহিচাপে এই সন্মিলনৰ আয়োজন কৰা হৈছে। শ্ৰীমোদীয়ে এই সন্মিলনত জনসাধাৰণক উদ্দেশ্যি ভাষণ দিব। সন্মিলনত দেশ-বিদেশৰ আৰ্য সমাজৰ গোটসমূহৰ প্ৰতিনিধিবৰ্গই ভাগ ল'ব। সন্মিলনৰ লগত সংগতি ৰাখি **সেৱাৰ স্বৰ্ণিল ডেৰশ বছৰ** শীৰ্ষক এখন প্ৰদৰ্শনী অনুষ্ঠিত হ'ব। এই প্ৰদৰ্শনীত শিক্ষা, সামাজিক সংস্কাৰ আৰু আধ্যাত্মিক উত্থানৰ ক্ষেত্ৰত আৰ্য সমাজৰ অৱদানৰ মাধ্যমেৰে সংস্থাটোৰ পৰিবৰ্তনকাৰী যাত্ৰাৰ বিষয়ে আলোকপাত কৰা হ'ব।

ooooo

কেন্দ্ৰীয় কৃষি আৰু কৃষক কল্যাণ মন্ত্ৰী শিৱৰাজ সিং চৌহানে কয়, যে দেশত বৰ্তমানলৈকে ১০ হাজাৰ কৃষক উৎপাদক সংস্থা অৰ্থাৎ FPO স্থাপন কৰা হৈছে আৰু ইয়াৰে কিছু সংখ্যক FPOৰ ব্যৱসায় ১০০ কোটি টকালৈ বৃদ্ধি হৈছে। নতুন দিল্লীত কালি দুদিনীয়াকৈ আয়োজন কৰা **FPO সমাগম ২০২৫** শীৰ্ষক অনুষ্ঠানত ভাষণ দি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয়, যে বৰ্তমান এহেজাৰ ১০০ FPO কোটিপতিলৈ পৰিণত হৈছে। ইয়াৰ জৰিয়তে প্ৰায় ৫২ লাখ কৃষক উপকৃত হৈছে বুলি উল্লেখ কৰি তেওঁ কয়, যে চৰকাৰে এই পদক্ষেপৰ জৰিয়তে ২ কোটি কৃষকক সামৰি লোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে। শ্ৰীচৌহানে কয়, যে চৰকাৰে কৃষি অৰ্থনীতিৰ বিকাশ তথা কৃষি সামগ্ৰীত বিবিধতা অনাৰ লক্ষ্যৰে সংহত কৃষি পদ্ধতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। কৃষকসকলে যাতে উচ্চমানৰ বীজ লাভ কৰিব পাৰে তাৰবাবে চৰকাৰে শীঘ্ৰেই এখন বীজ আইন ৰূপায়ণ কৰিব বুলি কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। দেশত অৰ্থনীতিত কৃষকসকলৰ ভূমিকা সন্দৰ্ভত আলোকপাত কৰি শ্ৰীচৌহানে কয়, যে কৃষিখণ্ডত মহিলাসকলৰ সবলীকৰণৰ বাবে তেওঁলোকক ৫০ শতাংশ অংশীদাৰী প্ৰদান কৰা হ'ব। কালিৰ অনুষ্ঠানত  ৫০০ৰো অধিক কৃষক, কৃষি উৎপাদক সংস্থা, ৰূপায়ণকাৰী সংস্থাকে ধৰি ২৪ খন ৰাজ্য আৰু ১৪০ খন জিলাৰ ক্লাষ্টাৰ আধাৰিত ব্যৱসায়ী সংস্থাই অংশগ্ৰহণ কৰে।

ooooo

দেশৰ সকলো বিদ্যালয়তে তৃতীয় শ্ৰেণীৰপৰা কৃত্ৰিম বুদ্ধিমত্তাৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হ'ব। শিক্ষা মন্ত্ৰালয়ে জনোৱা অনুসৰি,এই পদক্ষেপে জটিল প্ৰত্যাহ্বানসমূহ সমাধানৰ বাবে কৃত্ৰিম বুদ্ধিমত্তাৰ নৈতিক ব্যৱহাৰৰ দিশত এটা উল্লেখযোগ্য ভূমিকা গ্ৰহণ কৰিব। কৃত্ৰিম বুদ্ধিমত্তা আৰু কম্পিউটাৰৰ শিক্ষাই শিক্ষণ শৈলীত সহায় কৰাৰ উপৰিও ছাত্ৰ ছাত্ৰীৰ চিন্তন প্ৰক্ৰিয়াতো সহায় কৰিব। মন্ত্ৰালয়ে লগতে জনায় যে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদে আই আই টি মাদ্ৰাজৰ অধ্যাপক কাৰ্তিক ৰমণৰ অধ্যক্ষতাত কৃত্ৰিম বুদ্ধিমত্তা আৰু গণনামূলক

চিন্তাধাৰাৰ পাঠ্যক্রম প্রস্তুত কৰিববলৈ এখন বিশেষজ্ঞ সমিতি গঠন কৰিছে। আলোচনাত ভাষণ দি বিদ্যালয় শিক্ষা আৰু সাক্ষৰতা বিভাগৰ সচিব সঞ্জয় কুমাৰে কয় যে কৃত্রিম বুদ্ধিমত্তাৰ শিক্ষাক আমাৰ চৌপাশৰ পৃথিৱীৰ সৈতে জড়িত মৌলিক সাৰ্বজনীন দক্ষতা হিচাপে গণ্য কৰা উচিত ।

০০০০০

বৈদেশিক পৰিক্রমা দপ্তৰৰ মন্ত্রী ড° এছ জয়শংকৰে কয়, যে বৰ্তমান বিশ্ব পৰিক্রমাত কৌশলগত অনিশ্চয়তা আৰু অৰ্থনৈতিক অস্থিৰতা দুয়োটা বৃদ্ধি পাইছে। জাৰ্মান ঐক্য দিৱস উদযাপনৰ সময়ত দিয়া ভাষণত ড° জয়শংকৰে উল্লেখ কৰে যে, বিশ্ব শৃংখলা সুস্থিৰ কৰি ৰখা আৰু শান্তি, প্রগতি আৰু সমৃদ্ধিৰ প্রসাৰৰ বাবে ভাৰত আৰু জাৰ্মানীৰ গুৰুত্বপূৰ্ণ দায়িত্ব আছে। শ্ৰীজয়শংকৰে পহলগাম সন্ত্রাসবাদী আক্রমণৰ পাছত জাৰ্মানীৰ স্পষ্ট স্থিতিৰ শলাগ লয়। তেওঁ লগতে কয়, যে তেওঁৰ জাৰ্মান সমকক্ষ জোহান ৱাডেফুলে সন্ত্রাসবাদৰ বিৰুদ্ধে নিজকে ৰক্ষা কৰাৰ ভাৰতৰ অধিকাৰক সমৰ্থন কৰি ভাৰতৰ সৈতে জাৰ্মানীৰ সম্পৰ্ক অধিক সূদৃঢ় কৰাত সহায় কৰিছে। সন্ত্রাসবাদৰ প্রতি শূন্য সহনশীলতা নীতি থাকিব লাগে বুলি ভাৰতৰ বিশ্বাসৰ সৈতে এই দৃষ্টিভংগীৰ সম্পূৰ্ণ মিল আছে। তেওঁ লগতে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত চলিত বাণিজ্যিক আলোচনাৰ মূল চাবিকাঠিও জাৰ্মানী।

০০০০০

প্রতিৰক্ষা মন্ত্রী ৰাজনাথ সিং দুদিনীয়া মালয়েছিয়া ভ্রমণসূচীৰে কালি কুৱালালামপুৰত উপস্থিত হয়। শ্রীসিঙে কাইলৈ দ্বাদশ আছিয়ান প্রতিৰক্ষা মন্ত্রীসকলৰ বৈঠক-প্লাছত অংশগ্ৰহণ কৰিব। কালি সুবাং বিমানবন্দৰত মন্ত্রীগৰাকীক মালয়েছিয়াত থকা ভাৰতৰ উচ্চায়ুক্ত বি এন ৰেড্ডীয়ে আদৰণি জনায়।

এই ভ্রমণ কালত প্রতিৰক্ষা মন্ত্রীয়ে দ্বাদশ আছিয়ান প্রতিৰক্ষা মন্ত্রীৰ বৈঠক-প্লাছৰ ১৫ বছৰৰ কামৰ প্রতিফলনৰ বিষয়ে ভাষণ দিব। তেওঁ প্রতিৰক্ষা সহযোগিতা আৰু অধিক শক্তিশালী কৰাৰ বাবে দ্বিতীয় আছিয়ান-ভাৰত প্রতিৰক্ষা মন্ত্রীসকলৰ অনানুষ্ঠানিক বৈঠকতো অংশগ্ৰহণ কৰিব।

০০০০০

ভাৰত আৰু শ্ৰীলংকাৰ মাজত কালি নতুন দিল্লীত কৃষি সন্দৰ্ভত প্ৰথমখন যুটীয়া কাৰ্য্য গোটৰ বৈঠক অনুষ্ঠিত হয়। কৃষি আৰু কৃষক কল্যাণ বিভাগৰ সম্পাদক ড° দেৱেশ চতুৰ্বেদী আৰু শ্ৰীলংকাৰ কৃষি, পশুধন, ভূমি আৰু জলসিঞ্চন মন্ত্ৰালয়ৰ সম্পাদক ডি পি উইক্ৰাম সিংহে যুটীয়াভাৱে এই বৈঠকখনত সভাপতিত্ব কৰে। এক বিবৃতিত জনোৱা অনুসৰি কৃষি দুয়োপক্ষই কৃষিত প্ৰযুক্তিবদ্যাৰ প্ৰয়োগ, জৈৱিক আৰু প্ৰাকৃতিক কৃষি, বীজ খণ্ডৰ উন্নয়ন আৰু কৃষি উদ্যোগীকৰণকে ধৰি গুৰুত্বপূৰ্ণ ক্ষেত্ৰত সহযোগিতাৰ বিষয়ে আলোচনা কৰে। সভাত ডিজিটেল কৃষি, শস্য বীমা, কৃষি ষ্টাৰ্টআপৰ দৰে পদক্ষেপসমূহো সামৰি লোৱা হয়। মন্ত্ৰালয়ে উল্লেখ কৰে যে শ্ৰীলংকাৰ প্ৰতিনিধি দলটোৱে ভাৰতৰ কৃষি গৱেষণা আৰু উদ্ভাৱন পৰিৱেশ তন্ত্ৰৰ বিষয়ে অন্তৰ্দৃষ্টি লাভৰ বাবে ৰাষ্ট্ৰীয় ৰাজধানীত থকা ভাৰতীয় কৃষি গৱেষণা প্ৰতিষ্ঠানটো পৰিদৰ্শন কৰে। আলোচনাত দুয়োখন দেশৰ খাদ্য আৰু পুষ্টিৰ সুৰক্ষা শক্তিশালী কৰা তথা সহযোগিতা বৃদ্ধি কৰাৰ বাবে ভাৰত আৰু শ্ৰীলংকাৰ যুটীয়া দায়বদ্ধতাক পুনৰ দৃঢ় কৰা হয়।

00000

আই চি চি মহিলা বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱানিশা নবী মুম্বাইৰ ড° ডি ৱাই পাটিল ক্ৰীড়া একাডেমীত অনুষ্ঠিত এখন ৰোমাঞ্চকৰ ছেমি ফাইনেলত ভাৰতে অষ্ট্ৰেলিয়াক ৫ উইকেটত পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰে। ভাৰতে ৩৩৯ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৯টা বল বাকী থকা অৱস্থাত ৫ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। দলৰ হৈ জেমিমা ৰোড্ৰিগছে ১৩৪টা বলত ১২৭ ৰান কৰি আউট নোহোৱাকৈ থাকে। হৰমনপ্ৰীত কৌৰৰ ৮৯ ৰানে ভাৰতীয় দলটোক বিজয় দিশে লৈ যোৱাত বিশেষ বৰঙণি যোগায়। অষ্ট্ৰেলিয়াৰ হৈ কিম গাৰ্থ আৰু এনাবেল ছুথাৰলেণ্ডে দুটাকৈ উইকেট লাভ কৰে।

ইয়াৰ পূৰ্বে অষ্ট্ৰেলিয়াই টছত জিকি প্ৰথমে বেট ধৰাৰ সিদ্ধান্ত লৈ ৪৯ অভাৰ ৫টা বলত আটাইকেইটা উইকেট হেৰুৱাই ৩৩৮ ৰান সংগ্ৰহ কৰে। দলটোৰ হৈ ফোবি লিটছফিল্ডে সৰ্বাধিক ১১৯ ৰান কৰে। ভাৰতৰ শ্ৰীচৰণী আৰু দিপ্তী শৰ্মাই দুটাকৈ উইকেট দখল কৰে।

জেমিমা ৰোড্ৰিগছক প্লেয়াৰ অব দ্যা মেছ ঘোষণা কৰা হয়। ভাৰত অহা দেওবাৰে একেখন ষ্টেডিয়ামতে ফাইনেলত দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দক্ষিণ আফ্ৰিকাই গুৱাহাটীত অনুষ্ঠিত প্ৰথমখন ছেমি ফাইনেলত ইংলেণ্ডৰ বিৰুদ্ধে ১২৫ ৰানত জয় লাভ কৰি ফাইনেলত প্ৰৱেশ কৰে।

00000

**সমাপ্ত**